# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-08-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা ৫০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ৮টা ৰাষ্ট্ৰীয় উচ্চগতি পথ কৰিডৰ প্ৰকল্পই দেশৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব।

২। কেৰালাৰ ৱায়নাডৰ ভূমিস্খলনত নিহত লোকৰ সংখ্যাই ৩০০ অতিক্ৰম কৰিছে।

৩। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত ডেংগীৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

৪। পেৰিছ্ অলিম্পিকৰ অষ্টম দিনা আজি ভাৰতীয় এথলিটসকলে শুটিং, আৰ্চাৰী, বক্সিং, নৌকা চালনা আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কালি ৰোমাঞ্চকৰভাৱে ড্ৰ' হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা ৫০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ৮টা ৰাষ্ট্ৰীয় উচ্চ গতি পথ কৰিডৰ প্ৰকল্পই দেশৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কয় যে, ইয়াৰ দ্বাৰা ভৱিষ্যদৰ্শী আৰু যোগাযোগ ব্যৱস্থাৰে সংযুক্ত ভাৰতৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা স্পষ্ট হৈ পৰিছে।

ইয়াৰ পূৰ্বে অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে ৫০ হাজাৰ ৬৫০ কোটি টকা ব্যয়েৰে ৯৩৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৮টা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় উচ্চ গতি পথ কৰিডৰ প্ৰকল্পত অনুমোদন জনায়। এই প্ৰকল্পসমূহে পৰিবহণ দক্ষতা বৃদ্ধি কৰিব, যান-জঁট হ্ৰাস কৰিব আৰু সমগ্ৰ দেশৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ভাৰতবৰ্ষক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টি ভংগী অনুসৰি এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হ'ব। এই প্ৰকল্পৰ অধীনত নিৰ্মাণ কৰিবলগীয়া খড়গপুৰ-মৰেগ্ৰাম কৰিডৰে পশ্চিমবংগ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিলৈ আমূল পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। একেদৰে গুৱাহাটী লিংক ৰোড প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে বাধাৰহিত যোগাযোগ সূচল কৰিব তুলিব।

০০০০০

কেৰালাৰ ভূমিস্খলন প্ৰভাৱিত ৱায়নাড জিলাত আজি পুৱা পুনৰ উদ্ধাৰ অভিযান আৰম্ভ কৰা হয়। সশস্ত্ৰ বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্যান্য সংস্থাৰ ৪০টা দল উদ্ধাৰ অভিযানৰ কামত নিয়োজিত কৰা হৈছে। উদ্ধাৰ অভিযানত কালি ধ্বংসস্তুপৰ মাজৰ পৰা ১৪টা শৰদেহ উদ্ধাৰ কৰা হয়। ইয়াকে লৈ মঙলবাৰে হোৱা এই ভূমিস্খলনৰ ঘটনাত নিহত লোকৰ সংখ্যাই ৩ শ অতিক্ৰম কৰিছে। ভূমিস্খলনত ক্ষতিগ্ৰস্ত আঢ়ৈ হাজাৰৰো অধিক লোকে ১৭টা সাহায্য শিবিৰত আশ্ৰয় লৈ আছে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই দেশৰ ৯খন প্ৰভাৱিত ৰাজ্যত ডেংগী প্ৰতিৰোধ, নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰে। বৈঠকত স্বাস্থ্য সচিবগৰাকীয়ে কয় যে, দেশত ডেংগীৰ ফলত হোৱা মৃত্যুৰ হাৰ ১৯৯৬ চনত ৩.৩ শতাংশৰ পৰা ২০২৩ চনত ০.১৭ শতাংশলৈ হ্ৰাস পাইছে। সচিবগৰাকীয়ে ৰাজ্য আৰু পৌৰসভাসমূহক ডেংগীৰ প্ৰাদুৰ্ভাৱৰ সময়মতে নিয়ন্ত্ৰণৰ বাবে সজাগ হৈ থাকিবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ উপৰিও তেওঁ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰভাৱিত এলেকা চিনাক্তকৰণ, চোৰাচিতা বৃদ্ধি কৰা আৰু ৰোগীক জিঅ'টেগিং কৰাৰ পৰামৰ্শ দিয়ে। এই বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ লগতে দিল্লী, গুজৰাট, কৰ্ণাটক, মহাৰাষ্ট্ৰ, ৰাজস্থান, তামিলনাডু, তেলেংগানা, উত্তৰ প্ৰদেশ, আৰু পশ্চিমবংগৰ  সচিব আৰু উচ্চ পৰ্যায়ৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। আহমেদাবাদ, বেংগালুৰু, চেন্নাই, দিল্লী, হায়দৰাবাদ, আৰু মুম্বাইকে ধৰি এই ৯খন ৰাজ্যৰ মুঠ ১৮খন পৌৰ নিগমে বৈঠকত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, কৰ্ণাটক, কেৰালা, তামিলনাডু, আৰু মহাৰাষ্ট্ৰত ডেংগীত  সৰ্বাধিক লোক আক্ৰান্ত হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ৫ আগষ্টৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্ট ভ্ৰমণ কৰিব। নতুন দিল্লীত কালি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত প্ৰাচ্যৰ সচিব জয়দীপ মজুমদাৰে কয় যে এয়া হ'ব ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ফিজি তথা টিম'ৰলেষ্টে ভ্ৰমণ। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট নীতি ঘোষণা কৰাৰ পাছৰে পৰা ভাৰতে দক্ষিণ-পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলে বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ লগতে এই তিনিওখন দেশক এক্ট ইষ্ট নীতিৰ আওতাত পৰে বুলি সদৰি কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফিজিত উপস্থিত হ'ব। তাত তেওঁ ফিজিৰ ৰাষ্ট্ৰপতি কেট'নিৰেৰে আৰু প্ৰধানমন্ত্ৰী ছিটিৰেণী ৰেবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিয়ে ফিজি সংসদত ভাষণ দিয়াৰ লগতে দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ভাৰত ফিজিৰ গুৰুত্বপূৰ্ণ উন্নয়ন সহযোগী। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি মুৰ্মুই ৮ আগষ্টত নিউজিলেণ্ডত উপস্থিত হ'ব। বিদেশ মন্ত্ৰ্যালয়ৰ প্ৰাচ্যৰ সচিবে কৈছে যে, ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে গৱৰ্ণৰ জেনেৰেল ছিন্দি কিৰো আৰু প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে বৈঠকত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৱে ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব আৰু অকলেণ্ডত প্ৰৱাসী ভাৰতীয়সকলক সম্বোধন কৰিব। শ্ৰীমজুমদাৰে কয় যে, নিউজিলেণ্ডে ভাৰতক গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগী বুলি গণ্য কৰে।

শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত অহা ১০ আগষ্টত টিম'ৰলেষ্টেত উপস্থিত হ'ব আৰু দেশখনৰ ৰাষ্ট্ৰপতি জোচে ৰামোচ হোৰ্টাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। টিমৰৰ প্ৰধানমন্ত্ৰী কে ৰালা জেনানা গুছম'ই ৰাষ্ট্ৰপতি মুৰ্মুক সাক্ষাৎ কৰিব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৩২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় কৃষি অৰ্থনীতিবিদ সন্মিলন ICAE উদ্বোধন কৰিব আৰু ভাষণ প্ৰদান কৰিব। ভাৰতত ৬৫ বছৰৰ পাছত এই সন্মিলনৰ আয়োজন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় কৃষি অৰ্থনীতিবিদ সংস্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা ছয়দিনীয়া ত্ৰিবাৰ্ষিক সন্মিলনখনৰ বিষয়বস্তু হৈছে 'বহনক্ষম কৃষি খাদ্য ব্যৱস্থাৰ দিশলৈ ৰূপান্তৰ'। সন্মিলনত জলবায়ু পৰিৱৰ্তন, প্ৰাকৃতিক সম্পদৰ অৱক্ষয় আৰু বৰ্ধিত উৎপাদন ব্যয় আদিৰ দৰে প্ৰত্যাহ্বানৰে মোকাবিলা কৰিবলৈ বহনক্ষম কৃষিৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হ'ব। এই সন্মিলনত বিশ্বৰ কৃষি প্ৰত্যাহ্বানসমূহৰ প্ৰতি ভাৰতৰ সক্ৰিয় দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰাৰ লগতে কৃষি গৱেষণা তথা নীতি প্ৰস্তুতৰ ক্ষেত্ৰত দেশৰ অগ্ৰগতি প্ৰদৰ্শন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় কৃষি অৰ্থনীতিবিদ সন্মিলনে যুৱ গৱেষক আৰু আগশাৰীৰ পেছাদাৰীসকলৰ বাবে নিজৰ কৰ্মৰ উপস্থাপন আৰু বিশ্বব্যাপী নেটৱৰ্ক গঢ়ি তোলাৰ এখন মঞ্চ হিচাপে কাম কৰিব। এই সন্মিলনত প্ৰায় ৭৫খন দেশৰ এহেজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

00000

আকাশবাণী সংগীত সমাৰোহ-২০২৪ নতুন দিল্লীত আজি আৰম্ভ হব। আকাশবাণীৰ ৰং ভৱনত সন্ধিয়া চাৰে পাঁচ বজাৰ পৰা অনুষ্ঠান আৰম্ভ হব। দুদিনীয়াকৈ হ'বলগীয়া সংগীত সমাৰোহত পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্ন, পণ্ডিত জয়তীৰ্থ মেভুণ্ডি আৰু পণ্ডিত বিশ্ব মোহন ভাটে  গীত পৰিৱেশন কৰিব। দিল্লীৰ উপৰি হায়দৰাবাদ, পাটনা, জম্মু, শ্বিলং, ইম্ফল, কটক, বেংগালুৰু, ভূপাল, চেন্নাই আৰু ৰাঞ্চিকে ধৰি অনান্য চহৰতো পৃথক তাৰিখত আকাশবাণী সংগীত সমাৰোহৰ আয়োজন কৰা হৈছে। আকাশবাণীয়ে ভাৰতৰ ঐতিহ্য আৰু বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিক প্ৰসাৰ আৰু প্ৰচাৰ কৰাত উল্লেখনীয় ভূমিকা পালন কৰি আহিছে।

00000

পেৰিছ্ অলিম্পিকৰ অষ্টম দিনা আজি ভাৰতীয় এথলিটসকলে শ্বুটিং, আৰ্চাৰী, বক্সিং, নৌকা চালনা আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। শ্বুটিঙত মনু ভাকৰ তৃতীয়টো পদকৰ বাবে মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ১ বজাত আৰম্ভ হ'ব। ভাকৰে ইতিমধ্যে মহিলাৰ ১০ মিটাৰ পিষ্টল আৰু ১০ মিটাৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয়া শিতানত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

আৰ্চাৰীত দিনৰ ১ বাজি ৫২ মিনিটত দিপিকা কুমাৰী জাৰ্মানীৰ মিচেল ক্ৰোপেনৰ সন্মুখীন হোৱাৰ বিপৰীতে ভজন কৌৰ ইণ্ডোনেছিয়াৰ ডায়ন্দা চোইৰুনিচাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিশান্ত দেৱে  নিশা ১২ বাজি ১৮ মিনিটত হ'বলগীয়া বক্সিঙৰ পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মেক্সিকোৰ অলোন্সো ৰ্বৰ্দে অল্বাৰেজৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। নিশান্ত এই খেলত জয়ী হ'লে এইবাৰৰ অলিম্পিকত ভাৰতৰ বাবে আৰু এটা পদক নিশ্চিত হ'ব।

গল্ফত শুভাংকৰ শৰ্মা আৰু গগনজিৎ ভুল্লৰ তৃতীয় ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব। একেদৰে নেথৰা কুমানন আৰু বিষ্ণু চৰৱননে ক্ৰমে মহিলা আৰু পুৰুষৰ নৌকা চালনাৰ ডিগিং শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কালি ৰোমাঞ্চকৰভাৱে ড্ৰ হয়। ভাৰতে ২৩১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩০ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২৩০ ৰান কৰে। শ্ৰীলংকাৰ হৈ বেটে বলে সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা দুনিথ ৱেল্লালগেক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ কলম্বোত অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**